**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 04-04-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

***Headlines***

১। বিধানসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী পক্ষৰ প্ৰচাৰ অভিযান তুংগত।

২। দেশত পেট্ৰল, ডিজেল আৰু ৰন্ধন গেছৰ মজুত সুনিশ্চিত কৰাৰ বাবে চৰকাৰৰ প্ৰচেষ্টা গ্ৰহণ।

৩। নিৰাপত্তা বাহিনীৰ নিৰ্বাচন কেন্দ্ৰিক ব্যস্ততাৰ সুযোগ লৈ বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে অসমত প্ৰৱেশৰ বাবে চেষ্টা চলাইছে বুলি কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ সতৰ্কবাণী।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দেলহি কেপিটেলছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ অন্ত পৰিবলৈ মাজত মাথো ৩ টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক আৰু বিৰোধী উভয় পক্ষৰ প্ৰাৰ্থীসকলে জনসভা, ৰোড শ্ব’ আৰু ঘৰে ঘৰে গৈ ভোটদাতাসকলক আকৰ্ষিত কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। তাৰকা প্ৰচাৰকসকলেও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি কৰিমগঞ্জৰ ৰামকৃষ্ণ নগৰ আৰু কাছাৰ জিলাৰ লক্ষীপুৰ বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ দুখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ গ্ৰহণ কৰিব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৰ্তমান মাহমৰাত প্ৰচাৰ চলাইছে। ইয়াৰ পাছত তেওঁ সোণাৰী, নাজিৰা আৰু মৰিয়ণি সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। সন্ধিয়াৰ ভাগত তেওঁ যোৰহাটত এটা ৰোড শ্ব’ত ভাগ ল’ব।

অৰুণাচলৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পেমা খান্দুৱেও নিৰ্বাচনৰ বাবে দলীয় প্ৰাথীৰ সমৰ্থনত ধাৰাবাহিকভাৱে প্ৰচাৰ চলাইছে। অৰুণাচলৰ মুখ্যমন্ত্ৰীগৰাকীয়ে আজি নাওবৈচা, ৰঙানদী আৰু লক্ষীমপুৰ সমষ্টিত তিনিখন প্ৰচাৰ সভাত অংশ ল’ব। ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি তেজস্বী সূৰ্য্যই গোৱালপাৰা আৰু দিছপুৰ সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দুলীয়াজান সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে সন্দিয়া মধ্য গুৱাহাটীত প্ৰচাৰ কাৰ্যসূচীত ভাগ ল'ব।

মুখ্য বিৰোধী দল কংগ্ৰেছকে ধৰি অন্যান্য দলৰ প্ৰাৰ্থীসকলেও সমষ্টিয়ে সমষ্টিয়ে গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে গৌৰীপুৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে। তেওঁ পৰ্বতঝোৰা, নলবাৰী আৰু বিলাসীপাৰাতো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব।

ooooooo

৯ এপ্ৰিলত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। নিৰ্বাচন আয়োগে এইবাৰ ভোটগ্ৰহণৰ বাবে ব্যৱহাৰ কৰিবলগীয়া ৩৯ হাজাৰ ই ভি এম মেচিনৰ পৰীক্ষা সম্পন্ন কৰিছে। ভোটগ্ৰহণ সূচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ৩১ হাজাৰ ৪৮৬ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। এই কেন্দ্ৰসমূহত সৰ্বমুঠ ২ কোটি ৫০ লাখ ২১ হাজাৰৰো অধিক ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। আয়োগে ভোটগ্ৰহণ কেন্দ্ৰসমূহত ই ভি এম বিকল হোৱা আৰু কাৰিকৰী ব্যৱস্থা বিজুতিৰ জোৰা মৰাৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰৰ তুলনাত ৭ হাজাৰ ৫১৪ টা অধিক ই ভি এম সাজু কৰিছে। ই ভি এমৰ লগতে ভি ভি পেটৰ চূড়ান্ত পৰ্যায়ৰ পৰীক্ষা সম্পূৰ্ণ কৰা হৈছে।

ooooooo

দেশত পেট্ৰল, ডিজেল আৰু ৰন্ধন গেছৰ মজুত সুনিশ্চিত কৰাৰ বাবে চৰকাৰে সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছে বুলি জনসাধাৰণক আশ্বাস দিছে। চৰকাৰে লগতে জনসাধাৰণক ভিতিগ্ৰস্ত হৈ অযথা পেট্ৰল, ডিজেল ক্ৰয় বা ৰন্ধন গেছৰ বুকিং নকৰিবলৈ পৰামৰ্শ দিছে। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক ৰন্ধন গেছ আৰু অন্য পেট্ৰ'লজাত সামগ্ৰীৰ অবৈধ মজুতকৰণ আৰু ক'লা বজাৰ নিয়ন্ত্ৰণ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সচিব ডং নীৰজ মিট্টালে এই সন্দৰ্ভত সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চললৈ প্ৰেৰণ কৰা পত্ৰৰ জৰিয়তে কয়, যে ঠাইবিশেষে উৰা বাতৰি তথা ভুৱা তথ্যৰ প্ৰচাৰ কৰা হৈছে আৰু ইয়াৰ ফলত জনসাধাৰণে অনাহকত ভিতিগ্ৰস্ত হৈ যধে-মধে ৰন্ধন গেছ ক্ৰয় কৰিছে। ৰাজ্যসমূহক অবৈধ মজুতকৰণ, গেছ যোগানত খেলিমেলি আৰু আতংক সৃষ্টি কৰিব পৰা তথ্যৰ প্ৰচাৰ কঠোৰভাৱে নিৰীক্ষণ কৰিবলৈ কোৱা হৈছে। মন্ত্ৰালয়ে লগতে সকলো শোধনাগাৰে সৰ্বোচ্চ উৎপাদন ক্ষমতাৰে কাম কৰি আছে আৰু দেশত খাৰুৱা তেল, পেট্ৰ'ল আৰু ডিজেল পৰ্যাপ্ত পৰিমাণে মজুত আছে বুলি প্ৰকাশ কৰে।

ইপিনে, ইণ্ডিয়ান অইল কৰ্প'ৰেচনে এটা বিবৃতিত প্ৰকাশ কৰা মতে ঘৰুৱা ৰন্ধন গেছৰ যোগান অব্যাহত আছে আৰু প্ৰতিদিনে প্ৰায় ২৮ লাখ ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰ যোগান ধৰা হৈছে। অসমলৈ প্ৰতিদিনে প্ৰায় ১ লাখ ৰন্ধন গেছৰ চিলিণ্ডাৰ যোগান ধৰা হৈছে বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। তদুপৰি চিলিণ্ডাৰ বুকিঙৰ ক্ষেত্ৰত গ্ৰাহকসকলক এছ্ এম এছ্ আৰু আই ভি আৰ এছৰ দৰে ডিজিটেল মাধ্যম ব্যৱহাৰ কৰিবলৈ কোৱা হৈছে।

ooooooo

কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাই বিধানসভা নিৰ্বাচনক লৈ নিৰাপত্তা বাহিনী আৰু আৰক্ষী ব্যস্ত থকাৰ সুযোগ লৈ বাংলাদেশৰ পপৰা ব্যাপক হাৰত অসমত প্ৰৱেশৰ বাবে বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে চেষ্টা চলাইছে বুলি

অসম আৰু পশ্চিবংগৰ আৰক্ষীক সতৰ্ক কৰি দিছে। নিৰ্বাচনৰ পূৰ্বে অসম আৰু পশ্চিমবংগৰ পৰিস্থিতি অশান্ত কৰাৰ উদ্দ্যেশ্যে ব্যাপক পৰিসৰত অনুপ্ৰৱেশ ঘটোৱাৰ চেষ্টা চলি আছে বুলি চোৰাংচোৱা সংস্থাই সকিয়াই দিছে। কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ সূত্ৰৰ মতে অসম আৰু পশ্চিমবংগত হাজাৰৰো অধিক বাংলাদেশীয়ে অনুপ্ৰৱেশৰ চেষ্টা চলাইছে আৰু ভোটগ্ৰহণ সম্পূৰ্ণ হোৱাৰ পূৰ্বে এই প্ৰচেষ্টা অধিক তীব্ৰ হোৱাৰ আশংকা আছে।

oooooooo

প্ৰসিদ্ধ ফুটবল খেলুৱৈ গিলবাৰ্টচন চাংমাৰ আজি পুৱা গুৱাহাটীৰ কাহিলীপাৰাৰ নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ। অসম পুলিচ ফুটবল দলক ১৯৭২ৰ পৰা ১৯৮২ চনলৈ অধিনায়ক হিচাপে নেতৃত্ব দিয়া গিলবাৰ্ট চাংমাই এই সময়ছোৱাত মুঠ ৭ বাৰ সন্তোষ ট্ৰফী ছিনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযাগিতাত অসমক প্ৰতিনিধিত্ব কৰিছিল। তেওঁ লগতে অসম পুলিচৰ হৈ বৰদলৈ ট্ৰফী, এ টি পি এ শ্বিল্ড, কেপ্টেইন এন এম গুপ্তা ট্ৰফীৰ খিতাপ জয় কৰাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। গিলবাৰ্টচন চাংমাই ১৯৭৫ চনত ইণ্ডোনেচিয়া আৰু মালয়েচিয়াত প্ৰদৰ্শনীমূলক খেলত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। ২০২২ চনত তেওঁক ৰাজ্য চৰকাৰে অসম সৌৰভ বটাঁ প্ৰদান কৰে। তেওঁৰ মৃত্যুত ৰাজ্যবাসীয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

ooooooo

ৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়াত অংশগ্ৰহণ কৰা ডিব্ৰুগড়ৰ আৰ্চাৰী একাডেমীৰ ছগৰাকী প্ৰতিযোগীক কালি একাডেমীখনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। যোৱা ২৬ মাৰ্চৰ পৰা অন্ধ্ৰপ্ৰদেশৰ গুণ্টুৰত অনুষ্ঠিত সৰ্বভাৰতীয় আৰ্চাৰী প্ৰতিযোগিতাত কুমকুম ৰয়, মৈত্ৰেয়ী নায়ক, ত্ৰিদিশা সোণোৱাল, ৰুণজুণ কুমাৰী, লক্ষ্যৰাজ ওৰাং আৰু অৰ্পিতা ৰাজখোৱাই অংশগ্ৰহণ কৰি বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰে। ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা খেলুৱৈসকলক উৎসাহিত কৰাৰ অৰ্থে তেওঁলোকৰ লগতে প্ৰশিক্ষকসকলকো একাডেমীখনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত দেলহি কেপিটেলছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। ইপিনে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত গুজৰাট টাইটানছ আৰু ৰাজস্থান ৰয়েলছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে, চেন্নাই ছুপাৰ কিংছক ৫ উইকেটত পৰাস্ত কৰে।

oooooooo

৯ এপ্ৰিলত হ'বলগীয়া বিধানসভা নিৰ্বাচনত চিৰাং জিলাৰ দুটা সমষ্টিৰ বাবে ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সৈতে জড়িত বিষয়া কৰ্মচাৰী, পলিং বিষয়া আৰু আৰক্ষীৰ প'ষ্টেল ভোটদানৰ ক্ষেত্ৰত জিলা নিৰ্বাচনী বিভাগে পূৰ্বৰ নিৰ্দেশনাৰ আংশিক সংশোধনী ঘটায় নতুন নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি আৰক্ষীৰ বাবে ছিডলী-চিৰাং আৰু বিজনী বিধানসভা সমষ্টিৰ ভোটাৰৰ বাবে আজি আৰু কাইলৈ পুৱা ৯ বজাৰ পৰা বিয়লি ৫ বজালৈ পুলিচ ৰিজাৰ্ভত ডাক বেলট যোগে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আন সমষ্টিৰ এনে সুবিধা গ্ৰহণ কৰা ভোটাদাতাৰ বাবেও

এই দুদিনতে পুৱা ৯ বজাৰ পৰা আবেলি ৫ বজালৈ পুলিচ ৰিজাৰ্ভতে প'ষ্টেল বেলট যোগে ভোটগ্ৰহণ কৰা হ'ব। প'ষ্টেল ভোটদানৰ সুবিধা গ্ৰহণ কৰা বিধানসভা নিৰ্বাচনৰ বাবে নিয়োজিত সকলো বিষয়া, কৰ্মচাৰী আৰু ভোটগ্ৰহণ কৰ্মীক সংশোধিত ব্যৱস্থা অনুসৰি ভোটদানৰ বাবে উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে ছিডলী-চিৰাং বিধানসভা সমষ্টিৰ নিৰ্বাচনী কৰ্তব্যত জড়িত বিষয়াসকলে কাইলৈ আৰু পৰহিলৈ ইউ এন ব্ৰহ্ম চিনিয়ৰ ছেকেণ্ডেৰী স্কুলত পুৱা ১০ বজাৰ পৰা ভোটদান কৰিব পাৰিব। বিজনী বিধানসভা সমষ্টিৰ নিৰ্বাচনী কৰ্তব্যত জড়িত বিষয়াসকলে কাইলৈ আৰু পৰহিলৈ বিজনী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত পুৱা ১০ বজাৰ পৰা ভোটদান কৰিব পাৰিব।

০০০০০০০

**সমাপ্ত**